# ঃ বৰগীতত ধ্ৰুপদী সংগীতৰ বৈশিষ্ট্য ঃ

কমলেশ্বৰ ঠাকুৰীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

কলা হ'ল জীৱনৰ প্ৰকাশ। কলাৰ ভিতৰত সংগীতকেই শ্ৰেষ্ঠ কলা বুলি কোৱা হয়। গতিকে সংগীতৰ মাজেৰেও মানুহৰ জীৱনৰ কথাই প্ৰকাশ পায়।

বিশেষজ্ঞসকলে বহলভাৱে সংগীতক দুটা ভাগত ভাগ কৰিছে। ধ্ৰুপদী সংগীত আৰু লোক সংগীত। ধ্ৰুপদী সংগীত কিছুমান কঠিন নিয়ম-নীতিৰ মাজত আবদ্ধ আৰু লোক সংগীত মুক্ত। বিহুনাম, বিয়ানাম, আইনাম জিকিৰ, টোকাৰীগীত আদি অসমীয়া লোক-সংগীতৰ ভিতৰত পৰে। ধ্ৰুপদী সংগীতৰ বৈশিষ্ট্য ওজাপালি, চৰ্যাগীত আৰু বৰগীতৰ মাজত বিদ্যমান।

ভাৰতবৰ্ষৰ ধ্ৰুপদী সংগীতক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে। উত্তৰ ভাৰতীয় বা হিন্দুস্থানী সংগীত আৰু দাক্ষিণ ভাৰতীয় বা কৰ্ণাটকী সংগীত। অসম যিহেতু ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব অঞ্চলত অৱস্থিত, সেয়ে উত্তৰ ভাৰতীয় ধ্ৰুপদী সংগীতৰ বৈশিষ্ট্য অসমৰ উচ্চাংগ-সংগীতৰ ক্ষেত্ৰত ৰক্ষিত হোৱাই স্বাভাৱিক। পুৰাণ অসমৰ সংগীতৰ ইতিহাসে কিন্তু অইন কথাহে কয়। বৃটিছসকলে অসমৰ স্বাধীনতা লোপ কৰাৰ আগলৈ অসম কোনো কালে ভাৰতবৰ্ষৰ লগত সংযুক্ত নাছিল। ভিন্ ভিন্ ৰজাসকলৰ অধীনত অসম সদায় স্বতন্ত্ৰ আছিল। প্ৰাচীন কালৰ পৰাই অসমত উচ্চাঙ্গ সংগীতৰ প্ৰচলন থকাৰ প্ৰমাণ যথেষ্ট আছে। শঙ্কৰ-মাধৱদেৱৰ সময়ত অসমীয়া সংগীতে এক উচ্চপৰ্যায় লাভ কৰে। ওজাপালি, চৰ্যাগীত, বৰগীত আদিত ধ্ৰুপদী সংগীতৰ যি বৈশিষ্ট্য ৰক্ষিত হৈছে তালৈ লক্ষ্য কৰি এটা সময়ত যে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত এক সুকীয়া উচ্চাঙ্গ সংগীতৰ ধাৰা প্ৰৱৰ্তন হৈছিল সেই কথা অনুমান কৰিব পাৰি। অসমৰ ধ্ৰুপদী সংগীতৰ উৎকৃষ্ট উদাহৰণ হল বৰগীত সমূহ। হিন্দুস্থানী আৰু কৰ্ণাটকী এই দুটা ধাৰা বিশ্লেষণৰ মাজেদি বৰগীত সমূহ কেনে ধৰণৰ ধ্ৰুপদী সংগীত সেই কথা অনুমান কৰিব পাৰি।

'মন মেৰি ৰাম চৰনেহি লাগু ......' এই বৰগীতটি মহাপুৰুষ শঙ্কৰদেৱে যিদিনা সাঁচিপাতত লিপিবদ্ধ কৰিছিল অসমীয়া সংগীতৰ ইতিহাসৰ সোণালী অধ্যায় সিদিনাই আৰম্ভ হৈছিল। তাৰ পিচত শঙ্কৰদেৱে 'বাৰকুৰি' বৰগীত ৰচনা কৰিছিল। এবাৰ বৰপেটাৰ কমলা গায়নে গীতৰ পুথিখন আওৰাবলৈ নিছিল; কিন্তু হঠাতে বনপোৰা জুয়ে তেওঁৰ ঘৰ পোৰোতে বৰগীতৰ পুথিখনো পুৰিলে। 'আতৈ সবৰ মুখত ৰোৱা' ৩৪টা গীত বৰ্ত্তমানৰ ছপাপুথিত পোৱা যায়। মনৰ বেজাৰতে মহাপুৰুষজনাই পুনৰ গীত ৰচনা নকৰি মাধৱদেৱক উপদেশ দিলে "গীত কিছু কৰা' বুলি। গুৰুৰ আজ্ঞা পালন কৰি মাধৱদেৱে ন-কুৰি এঘাৰটা গীত ৰচনা কৰা বুলি জনা যায় যদিও, পোৱা যায় ১৫৭ টা গীতহে। দুইজনা গুৰুৰ সৰ্বমুঠ ১৯১ টা বৰগীত অদ্যাপিৰ্যন্ত বিদ্যমান। ৰক্ষণশীল কোনো কোনো মহলত গুৰুদুজনাৰ নাটৰ গীতসমূহক বৰগীতৰ ভিতৰত ধৰিব নুখুজিলেও আজি কালি এই গীতখিনিকো প্ৰায় সকলোৱে বৰগীত

বুলি মানি লৈছে। ইয়াকেলৈ সুৰ্বমুঠ বৰগীত হয় ৩৪২ টা। শঙ্কৰদেৱ বা মাধৱদেৱে কোনোৱে এই গীতখিনিক বৰগীত আখ্যা দিয়া নাই, দিছে পৰৱৰ্তী কালৰ গুণমুগ্ধ সকলেহে। আনহাতে একে আঁহিতে ৰচনা কৰা ৰাম চৰণ ঠাকুৰ, গোপাল আতা, পদ্মাপ্ৰিয়া, বৰযদুমণি, অনিবৃদ্ধ, শ্ৰীৰাম বিপ্ৰ আদিৰ গীত সমূহক বৰগীতৰ দৰে ব্যৱহাৰ কৰিলেও বহুতে বৰগীত আখ্যা দিব নোখোজে। মাথোন মহাপুৰুষ দুজনা বিৰচিত গীত সমূহকহে বৰগীত বোলা হয়। অকল সংগীত হিচাপেই নহয় বৰগীত সমূহৰ সাহিত্যিক মূল্যও অনৱদ্য।

গুৰু-চৰিত কথাত থকা "পঞ্চস্বৰ তুলি ঃ তাৰ মন্দ্ৰ ঘোৰকৈ গীত গালে" এই বাক্যাংশই ভাৰতীয় সংগীত তত্বৰ ইতিহাস আৰু অসমৰ দুৰ্লভ সংগীত ইতিহাসৰ এক গুৰুত্বপূৰ্ণ সংবাদ বহন কৰে। আকৌ 'নোম-নেগুৰ-বঞ্চিত সিও পায় বৰগীত'—এই কথাষাৰৰ তাৎপৰ্য হ'ল প্ৰতিভা আৰু প্ৰশিক্ষণ বিহীন যোৱহীনৰ বাবে-বৰগীত গোৱা দুঃসাধ্য।

মহাপুৰুষ শঙ্কৰদেৱৰ দিনৰে পৰা নিশ্চিতৰূপে অসমৰ স্ব-বৈশিষ্ট্যপূৰ্ণ ৰাগ সংগীতৰ সু-প্ৰতিষ্ঠিত হয়। ভাৰতৰ সকলো ৰাগ সংগীত ৰাগৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। বৰগীতত উল্লেখ থকা ৰাগ সমূহ হ'ল—অহীৰ, আশোৱাৰী, কল্যাণ কানড়া, কামোদ, কেদাৰা, গৌৰি, তুড়, তুড় বসন্ত তুড়-ভাটিয়ালি, ধনশ্ৰী, নট, নট-মল্লাৰ, পুৰবী, বৰাৰী, বসন্ত-বেলোৱাৰ, ভাটিয়ালী, ভূপালী, মল্লাৰ, মাহুৰ, ৰামগিৰি, শ্যাম, ললিত, গান্ধাৰ, শ্ৰীগোৰি, সাৰঙ্গ, সিন্ধুৰা কৌ, সুহাই ইত্যাদি। এই প্ৰায় সকলোবিলাক ৰাগেই ভাৰতীয় ৰাগ সংগীতৰ প্ৰচলিত ৰাগ। ৰাগৰ উল্লেখহে আছে, কিন্তু কি ৰাগত কি স্বৰ ব্যৱহাৰ হয় তাৰ উল্লেখ নাই। সম্প্ৰদায়ভেদে একেটা ৰাগতে থকা বৰগীতটো ভিন্ ভিন্ স্বৰৰ ব্যৱহাৰ হয়। এই প্ৰভেদ খুউব বেছি নহয়। এই ভিন্নতাক হিন্দুস্থানী সংগীতৰ বিভিন্ন ঘাৰানাৰ লগত তুলনা কৰিব পাৰি।

বৰগীতবোৰৰ প্ৰথম ভাগতে 'ধ্ৰুং' বুলি লেখা ইয়াৰ পৰা বৰগীতক 'ধ্ৰুপদ' জাতীয় গীত বুলি ধাৰণা কৰিব পাৰি। পদ সংগীতৰ আৱিষ্কাৰক মানসিংহ 'তোমৰ' নামৰ এগৰাকী শিল্পী। বৰগীত ইয়াৰ পূৰ্বেই মহাপুৰুষ দুজনাই সৃষ্টি কৰে। কোনো কোনোৱে বৰগীতক প্ৰবন্ধ শ্ৰেণীগত সংগীত বুলি ক'ব খোজে। এই শ্ৰেণীগতৰ জন্মও ধ্ৰুপদ সংগীতৰ আগৰ।

গীত আৰম্ভ কৰাৰ আগতে বৰগীতত 'ৰাগ দিয়া প্ৰথা আছে। ৰাগ দিয়া অংশক ৰাগ সংগীতৰ অনিবদ্ধ আলাপৰ লগত তুলনা কৰিব পাৰি। ৰাগ দিওঁতে 'হা উৰি তানা নানা' অথবা 'হৰি ৰাম ৰাম ৰাম' ইত্যাদি শব্দ প্ৰয়োগ কৰি ৰাগত ব্যৱহাৰ হোৱা স্বৰ সমূহ সজাই ৰাগ পৰ্ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হয়।

কৰ্ণাটকী সংগীতত হিন্দুস্থানী সংগীতত্তকৈ প্ৰাচীনত্ব অধিক সংৰক্ষিত বুলি কোৱা হয়। বৰগীতৰ কেইটামান ৰাগ আৰু তালৰ মিল হিন্দুস্থানী সংগীতত কৈ কৰ্ণাটক সংগীতৰ লগতহে বেছি দেখা যায়।

ৰাগৰ লগতে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ তালৰ লগতো বৰগীতত ব্যৱহাৰ হোৱা তালৰ সাদৃশ্য আছে। তালবোৰত ধ্বনি মাত্ৰা, বিভাজন আদিৰ বৈশিষ্ট্য বিদ্যমান। বৰগীতত ব্যৱহাৰ হোৱা দুই এটা তাল আৰু ভাৰতীয় উচ্চাঙ্গ সংগীতত ব্যৱহাৰ হোৱা তালৰ নামকৰণো একে।

তানপুৰা, হাৰমনিয়াম, সুৰমণ্ডল, সাৰেংদাৰ আদি স্বৰাশ্ৰয়ী বাদ্যযন্ত্ৰৰ সহায়ত শাস্ত্ৰীয় সংগীত চৰ্চা কৰিলে স্বৰ বা সুৰৰ বিকৃতি হোৱাৰ সম্ভাৱনা নাথাকে। সম্প্ৰতি বৰগীতত এনেধৰণৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ আপত্তিজনক যদিও 'গুৰু চৰিত'ৰ মতে ভাস্কৰ বিপ্ৰইহেনো 'ৰবাব' আৰু শঙ্কৰদেৱৰ ভাতৃপুত্ৰী ভুৱনেশ্বৰীয়ে 'চাৰেংদাৰ' বজাই বৰগীত গাইছিল।

ৰাগ সংগীত পৰিবেশন কৰাৰ বাবে নিৰ্দিষ্ট প্ৰহৰ

থকাৰ দৰে বৰগীতো প্ৰসঙ্গ অনুসৰিহে পৰিবেশন কৰা নিয়ম আছে ।

বৰগীতসমূহ যে উচ্চাঙ্গ সংগীত সন্দেহ নাই; কিন্তু কোন শ্ৰেণীৰ উচ্চাঙ্গ সংগীত সেইটোহে নিৰ্দ্ধাৰণ কৰা তান । হিন্দুস্থানী সংগীতৰ খেয়াল, ঠুংৰী, টপ্পা, ধামাৰ আদি শ্ৰেণীৰ লগত বৰগীতৰ আকৃতি প্ৰকৃতিৰ কোনো মিল নাই । ধ্ৰুপদ সংগীতৰ লগত কিছু সাদৃশ্য আছে যদিও বৰগীতক ধ্ৰুপদ সংগীতৰ দ্বাৰা অনুপ্ৰাণিত বুলি কোৱাৰ থল নাই ।

বৰগীতৰ প্ৰচাৰ আৰু ইয়াৰ সাংগীতিক বৈশিষ্ট্য উদ্ধাৰৰ অৰ্থে আজি-কালি বহুতো গুণী-জ্ঞানী ব্যক্তিয়ে নিজকে আত্ম নিয়োগ কৰিছে । বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানো গঢ় লৈ উঠিছে । উত্তৰ পূৰ্বাঞ্চলত প্ৰাচীন কালৰে পৰা চলি অহা ধ্ৰুপদী সংগীতৰ ওপৰত বৰগীতে এক নতুন আলোকপাত কৰাৰ সম্ভাৱনা আছে । এই সম্ভাৱনাৰ বাস্তৱ ৰূপায়ণে হব সমূহ সংগীত প্ৰেমীৰ বাবে আনন্দ আৰু উৎসাহৰ প্ৰেৰণা ।

বন্ধু, তুমি কিহৰ কাৰণে কান্দিছা ( আক্ষেপ কৰিছা )? তোমাৰ অন্তৰত সকলো শক্তি নিহিত আছে । হে মহীয়ান, তোমাৰ সৰ্বশক্তিমান স্বৰূপ জগাই তোলা দেখিবা দৃশ্যমান এই গোটেই বিশ্বজগৎ তোমাৰ পদতলত পৰিব । আত্মাৰেই সৰ্বত্ৰ প্ৰভূত্ব, পাৰ্থিব বস্তুৰ নহয় । যিবোৰ মূৰ্খ মানুহে নিজৰ দেহটোকে আত্মা বুলি ধৰে তেনেলোকেহে কৰুণভাৱে কয়— আমিবৰ দুৰ্বল । জাতিয়ে এতিয়া বিচাৰে বীৰত্ব আৰু বৈজ্ঞানীক প্ৰতিভা । আমাক লাগে মহৎ প্ৰাণ বিৰাট শক্তি আৰু অসীম উৎসাহ- স্ত্ৰীসুলভ দুৰ্বলতা নালাগে । কৰ্মপৰায়ণ, বীৰহৃদয় পুৰুষকহে লক্ষ্মীয়ে আশ্ৰয় কৰে । অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই । আগবাঢ়া - আগৰ ফালে চোৱা- আমাক লাগে অসীম শক্তি, অদম্য উৎসাহ, দুৰ্জ্জয় সাহস আৰু অসীম ধৈৰ্য্য— তেতিয়াহলেহে আমি মহৎকাৰ্য সাধন কৰিব পাৰিম ।

— স্বামী বিবেকানন্দ—

# 'পূজা-পাৰ্বনত লোক সংস্কৃতিৰ প্ৰভাৱ'

ভবেশ চন্দ্ৰ গোস্বামী
মুৰব্বী অধ্যাপক, নৃতত্ত্ব বিভাগ

অসম বিভিন্ন জাতি, উপজাতি, জনজাতিৰ মিলন-ভূমি। আদিম কালৰ পৰাই বিভিন্ন পথেদি অসমলৈ বিভিন্ন মানুহৰ প্ৰব্ৰজন হৈ আহিছে, অসমৰ ঘাই সংস্কৃতিৰ লগত মিলি এক হৈ মূল অসমীয়া সংস্কৃতি হিচাপে স্বীকৃতি পাই আহিছে। সাধাৰণতে অসমৰ মানুহক দুটা ভাগত ভাগ কৰিব পাৰি, আৰু সেই ভাগ দুটা হ'ল 'ইন্দিড' ( Indid ) আৰু 'মঙ্গলয়ড' (Mongoloid)। 'ইন্দিড' হ'ল প্ৰধানকৈ জাতিগত সম্প্ৰদায় আৰু 'মঙ্গলয়ড' হ'ল জনজাতি সম্প্ৰদায়। অসমৰ অসমীয়া জনগোষ্ঠী এই দুটা ভাগত বিভক্ত হৈ সমগ্ৰ অসমত সিঁচৰিত হৈ আছে। জাতিগত সম্প্ৰদায় হ'ল— কলিতা, কৈঁওট, ব্ৰাহ্মণ, শূদ্ৰ, বৈশ্য ইত্যাদি আনহাতে জনজাতি সম্প্ৰদায় হ'ল— ৰাভা, কছাৰি, বড়ো, গাৰো, কাৰ্বি, খাচি ইত্যাদি। যি সম্প্ৰদায়েই নহওঁক কিয় তেওঁলোকে প্ৰাচীন কালৰ পৰাই অসমীয়া সংস্কৃতিৰ মূল ভেটিটো সুদৃঢ় কৰি আহিছে আৰু অসমীয়া জনজীৱনৰ লগত মিলি এক বিশাল অসমীয়া সংস্কৃতি গঢ়ি তুলিছে।

লোক সংস্কৃতি বুলিলে আমি প্ৰাচীন কালৰে পৰা যিবোৰ জাতি-জনজাতিৰ সমন্বয়ত নানা ধৰণৰ ধৰ্মীয় আচাৰ অনুষ্ঠান, পূজা-পাতল, ৰীতি-নীতি, লোক কথা আদি প্ৰচলিত হৈ আহিছে, সেইবোৰকে বুজো। অসমৰ লোক সংস্কৃতি বা অসমীয়া লোকসংস্কৃতি এক সমন্বয়ৰ বা সংমিশ্ৰিত লোকসংস্কৃতি। অসমৰ লোক-সংস্কৃতিত আৰ্য্য, অনাৰ্য্য, দ্ৰাবিড়, মংগোলীয় আদি জাতি আৰু প্ৰজাতিৰ লোক সংস্কৃতিৰ বিভিন্ন উপকৰণৰ সংমিশ্ৰণ ঘটিছে। লোকসংস্কৃতিৰ জৰিয়তে লোক মানস আৰু জীৱন যাপন আদৰ্শৰ আভাস পোৱা যায়।

অসমৰ লোক সংস্কৃতিৰ মূল ভেটিটো অসমৰ থলুৱা লোকগোষ্ঠীৰ লোকসংস্কৃতি বুলি কব পাৰি। এই থলুৱা লোকগোষ্ঠী সৰহ ভাগকে জনজাতি আখ্যা দিয়া হৈছে। সেইফালৰপৰা চাব গলে অসমৰ লোক সংস্কৃতিৰ ভেটি জনজাতীয় লোক সংস্কৃতি বুলি কব পাৰি। অসমৰ বিভিন্ন ধৰ্মানুষ্ঠানৰ পৰা এইটো কথাই প্ৰতীয়মান হয় যে অসমৰ প্ৰাচীন অধিবাসী বা জনজাতীয় লোকসংস্কৃতিয়েই আছিল অসমৰ লোক-সংস্কৃতিৰ লাইখুটা স্বৰূপ। ডঃ বাণীকান্ত কাকতি, ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায় আদি কেইজনমান পণ্ডিতৰ মতে কামাখ্যা পীঠস্থানৰ মূল উৎস অষ্ট্ৰিক ভাষী খাচী-সকল বুলি ঠাৱৰ কৰিছে। অষ্ট্ৰিক ভাষাত 'কামা' এগৰাকী দেৱী, কামাই, কামায়ত, কামেত আদি শব্দৰ অৰ্থ শ্মশান, প্ৰেত, মৰাশ। কামখ্যাৰ অৰ্থ মৰিশালিৰ দেৱী।

অসমৰ থলুৱা জাতি-জনজাতিৰ মাজত প্ৰকৃতিয়ে সৃষ্টি কৰা বিপদ বিঘিনি; বিভিন্ন অপায় অমঙ্গল আদিৰ পৰা উদ্ধাৰ পোৱাৰ আশাত সমাজত পূজা পাতলৰ ব্যৱস্থা হবলৈ ধৰিলে। বিভিন্ন অপদেৱতাই যাতে ব্যক্তি তথা সমাজৰ কোনো অমঙ্গল বা বিপদ ঘটাব নোৱাৰে সেইবোৰৰ সন্তুষ্টিৰ হকে সমাজত অতীতৰ পৰাই বিভিন্ন দেৱ-দেৱী, অপদেৱতাৰ পূজা-পাতল, মন্ত্ৰ আদি সৃষ্টি হবলৈ ধৰিলে আৰু তেতিয়াৰ পৰাই মানুহৰ মনত বিভিন্ন লোক বিশ্বাসে ঠাই পালে আৰু এইবোৰেই এসময়ত সমাজত লোক কথা তথা লোক সংস্কৃতি ৰূপে বেলেগ এখন আসন অধিকাৰ কৰি আছে। আমাৰ হিন্দু সমাজত বিভিন্ন দেৱ-দেৱীৰ পূজা উৎসৱ আদিত লোক সংস্কৃতিয়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। এই লোক সংস্কৃতিৰ প্ৰবাহ চিৰদিন জনমানসত প্ৰবাহিত হৈ থাকিব যেতিয়ালৈকে সমাজত পূজা-উৎসৱ আদি চলি থাকিব। অসমৰ জনসাধাৰণৰ মাজত প্ৰচলিত পূজা পাৰ্বনবোৰৰ ভিতৰত বৈদিক, তান্ত্ৰিক আৰু শৈৱ পদ্ধতিৰ পূজা-পাতল প্ৰধান আৰু এইবোৰ পূজা-পাৰ্বন, উৎসৱ আদি লোক-বিশ্বাস তথা লোক সংস্কৃতিৰ ওপৰত প্ৰতিষ্ঠিত।

অতীতৰ পৰাই অসম তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনাজাত। বিভিন্ন পূজা-পাতল আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত বিভিন্ন তন্ত্ৰ-মন্ত্ৰ আছে। আমাৰ হিন্দু সমাজত আদিম কালৰ পৰাই শিল পূজা, বৃক্ষপূজা, মূৰ্ত্তিপূজা আদি প্ৰচলিত হৈ আহিছে আৰু এই পূজাবোৰৰ পৰাই জন জীৱনত নানান কিংবদন্তি, সাধুকথা আদি লোক বিশ্বাস হিচাপে সমাজত ঠাই পাই আহিছে। এই প্ৰবন্ধৰ যোগেদি এই-পূজা পাৰ্বনবোৰৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

হিন্দু সমাজত অতীতৰ পৰাই বৃক্ষ-পূজাৰ প্ৰচলন হৈ আহিছে। এতিয়াও বিভিন্ন সমাজত এই পূজাৰ প্ৰচলন দেখা যায়। এই পূজা দেৱ-দেৱীৰ অংগস্বৰূপ। প্ৰাচীন কালৰ পৰাই ভাৰতীয় ঋষি মুনিসকলে গছৰ তলকেই পবিত্ৰ স্থান বুলি গন্য কৰি আহিছে। গছৰ তলকেই পূজা উপাসনাৰ স্থান বুলি বিবেচনা কৰিছিল। গছৰ তলতেই তেওঁলোকে তপস্যা কৰিছিল। আমাৰ দেশৰ দৰে গ্ৰীক, ইটালি, জাৰ্মান আদি দেশতো পুৰণি কালত বৃক্ষপূজা প্ৰচলিত আছিল বুলি প্ৰমাণ পোৱা যায়। পুৰণি কালত জাৰ্মানসকলৰ মাজত বৃক্ষপূজা খুব ভক্তি সহকাৰে কৰিছিল আৰু গছডালক আঘাট কৰাটো তেওঁলোকৰ মনত দোষণীয় কাম বুলি পৰিগণিত হৈছিল। আৰু কোনোবাই গছ কাটিলে দোষীজনক শাস্তি দিছিল। আমাৰ সমাজতো ডাঙৰ গছ যেনে- বেল, আঁহত, বট আদি গছত অপদেৱতা থাকে বুলি মানুহৰ মাজত বিশ্বাস হৈ আহিছে আৰু সেইগছবোৰ কাটিব লগা হলে মানুহে গছ জোপাৰ গুৰিত পূজা দিব লাগিছিল। অসমীয়া গাৱলীয়া সমাজত ভূতে ধৰা মানুহক বেজে জৰাফুকা কৰা পদ্ধতি এতিয়াও প্ৰচলিত আৰু এইবোৰৰ লগত সংগতি ৰাখি বিভিন্ন লোক বিশ্বাস, লোককথাৰ সৃষ্টি হৈছে। বিশেষকৈ গাৱলীয়া সমাজত এতিয়াও মানুহে ডাঙৰ গছত ভূতে বাহ লোৱা বুলি বিশ্বাস কৰে। অসমৰ জনজাতীয় সমাজত এনেধৰণৰ বিশ্বাস প্ৰচলিত বুলি প্ৰমাণ পোৱা যায়। আহঁত গছক হিন্দুসকলে দেৱতা জ্ঞান কৰে। আম গছৰ ডাল পাত আমাৰ সমাজত বিভিন্ন পূজা-পাতলত ব্যৱহাৰ হৈ আহিছে। বেলগছৰ তলত মহাদেৱ-পাৰ্বতী থাকে বুলি বিশ্বাস, সেয়ে শিৱ পূজাত বেলপাত অপৰিহাৰ্য্য। সিজু গছ, তুলসী গছক দেৱতা জ্ঞান কৰি মানুহে পূজা কৰে। এনেকৈ বিভিন্ন গছৰ পূজা আদিম কালৰ পৰাই চলি আহিছে।

অসমীয়া গাৱলীয়া সমাজত সদাশিৱ বুঢ়াগোসাঁইৰূপে পৰিচিত। তেনেদৰে পাৰ্বতীও বুঢ়ীগোসানীৰূপে পৰিচিত। মহাদেৱ বৰ জনপ্ৰিয় দেৱতা। জনসাধাৰণৰ মতে তেৱেঁই প্ৰাচীন আৰু শ্ৰেষ্ঠ দেৱতা। অসমৰ প্ৰায়বোৰ ঠাইতে

বুঢ়াগোসাঁই আৰু বুঢ়াগোসানীৰ ৰাজহুৱা গোসাঁই ঘৰ আছে। বেলগছৰ তলত বুঢ়াগোসাঁই আৰু বুঢ়ীগোসানী থাকে বুলি বিশ্বাস কৰে। [illegible] গাৱলীয়া সমাজত অপায় অমঙ্গল, মাৰিমৰক নহবৰ বাবে সকলোৱে মিলি বেলৰ তলত বুঢ়াগোসাঁই আৰু বুঢ়াগোসানীৰ নাম প্ৰসঙ্গ কৰে লগতে ভাং আৰু ধতুৰাৰ গুটিৰে পূজা কৰে। এইদৰে বুঢ়াগোসাঁই আৰু বুঢ়ীগোসানীৰ পূজাই অসমীয়া সমাজত ধৰ্মীয় দিশত প্ৰাচীন কালৰে পৰা বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

সৰ্পভয় নিবাৰণ, অপায় অমঙ্গল নিবাৰণ আৰু বিশেষ কাৰ্য্যত সিদ্ধিলাভ কৰিবৰ বাবে কামৰূপ আৰু গোৱালপাৰা অঞ্চলত মনসা বা মাৰৈ পূজা অনুষ্ঠিত হয়। এইপূজা কিছুমান ঠাইত সাতদিনৰ পৰা এঘাৰ দিনলৈকে কৰে। বছৰতে বাৰ্ষিক ভাৱেও এই পূজা কৰে। মনসা পূজাত বলি বিধান হয়। মনসা পূজা অতি জাগ্ৰত পূজা বুলি ভক্তসকলে বিশ্বাস কৰে। আনকি পূজাৰ সময়ত সৰ্প আহি মণ্ডপত দেখা দিয়ে বুলিও বিশ্বাস কৰে, গোৱালপাৰাৰ পিনে অনুষ্ঠিত মনসা বা বিষহৰি (জন জাতীয় সমাজত প্ৰচলিত) পূজাত দেওধনী উঠে আৰু দেওধনীয়ে ভূত-ভৱিষ্যতৰ কথা কব পাৰে। গোৱালপাৰৰ বিষহৰি পূজাত মঞ্জু'ৰ প্ৰচলনো আছে। 'মঞ্জু' কুঁহিলাৰে সজা বিভিন্ন দেৱ-দেৱীৰ চিত্ৰ অঙ্কিত মুকুটৰ নিচিনা বস্তু।

ব্যাঘ্ৰশ্বৰী পূজা গোৱালপাৰা অঞ্চলত প্ৰচলিত। এই পূজা থানত বা বেলগছৰ তলত কৰা হয়। এই পূজাত বলি-বিধানো দিয়া হয়। বৈষ্ণৱ প্ৰভাৱেও এই পূজা কৰা হয়।

বৈদিক যুগৰ পৰাই জল-দেৱতাৰ পূজা 'জলপূজা' হিচাপে চলি আহিছে। জলত 'জলনাৰায়ণ' আৰু 'জলকুঁৱৰী' থাকে বুলি অসমীয়া সমাজে বিশ্বাস কৰে। জলক বিষ্ণুৰ অৱতাৰ বুলি ধৰা হয় বাবে 'জলৰূপী নাৰায়ণ' বুলি কোৱা হয়। সেয়ে 'জলক' নানা ভাৱে পূজা কৰাৰ ৰীতি চলি আহিছে। কেতিয়াবা পুখুৰী বা নৈত পানী আনিবলৈ যাওঁতে বা গা ধুবলৈ যাওঁতে মানুহৰ গাত বেমাৰ আজাৰে দেখা দিয়ে আৰু তেতিয়া জলকুঁৱৰীৰ দোষ লগা বুলি বিশ্বাস কৰা হয়। এনে দোষে দেখা দিলে 'জলপূজা' আগবঢ়োৱা হয় আৰু নাম প্ৰসঙ্গ পতা হয়। বিয়াৰ পানী তোলোতে জলনাৰায়ণৰ উদ্দেশ্যে পান তামোল আগবঢ়াই সেৱা কৰা হয়। নৈ পাৰ হলে নৈত পইচা দলিয়াই দিয়া নিয়ম এতিয়াও আমাৰ সমাজত প্ৰচলিত। মাছমাৰোতে মাছ উঠিবলৈও জলদেৱতাৰ পূজা দিয়া হয়। এইপূজাত জলত হাঁহ পাৰও কেতিয়াবা এৰি দিয়ে। এইদৰে অসমৰ লোক বিশ্বাসত জলদেৱতাই বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। অসমত তথা উত্তৰ পূৰ্ব ভাৰতত শালগ্ৰাম পূজা বা শিল পূজা অতীতৰ পৰা চলি আহিছে। শালগ্ৰামৰ নিত্যস্নান আৰু চন্দন, ফুল, তুলসী দি প্ৰতিদিন পূজা কৰা পদ্ধতি আমাৰ হিন্দু সমাজত চলি আহিছে। শালগ্ৰাম অতি পৱিত্ৰ বুলি গণ্য কৰা হয়। অসমত থকা কামাখ্যা ধামৰ উপৰিও ইয়াৰ হাবিয়ে বননিয়ে শিৱলিঙ্গ থকা অসংখ্য থান আছে।

অসমৰ প্ৰচলিত পূজা পাতাল উৎসৱ আদিৰ উপৰিও হিন্দু সমাজৰ দশকৰ্ম পদ্ধতিও লোকসংস্কৃতিৰ আধাৰত প্ৰতিষ্ঠিত। হিন্দু সমাজত পূজাপাতাল, উৎসৱ আদিৰ সংখ্যা অলেখ আৰু এইবোৰৰ লোক বিশ্বাস কিংবদন্তিও বিভিন্ন। এই উৎসৱ, পূজা-পাতল আদিত ক্ৰম বেছি পৰিমাণে জনজাতীয় লোক সংস্কৃতিৰো উপাদান সোমাই আছে। বুঢ়াডাঙৰীয়া, ভূতপ্ৰেত, মাছ, কাছ, সাপ আদিৰ লগত জড়িত বিভিন্ন দিশ অধ্যয়ন কিংবদন্তি আৰু

বিশ্বাস, লোকবিশ্বাসৰ বেছি ভাগেই জন জাতীয় সকলৰ পৰা অহা বুলি পণ্ডিতসকলে অনুমান কৰে। এইদৰে লোকসংস্কৃতি বিভিন্ন দিশ অধ্যয় কৰিলে দেখা যায় যে এইবোৰৰ মূল আধাৰ হৈছে জনজাতীয় লোক সংস্কৃতিহে এই দিশত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে গৱেষণা কৰিলে আৰু অধিক সমল পোৱা যাব বুলি কোৱাৰ থল আছে।

× × ×

---

প্ৰবন্ধটো যুগুতাওঁতে তলত দিয়া গ্ৰন্থ কেইখনৰ সহায় লোৱা হৈছে।

১। অসমৰ মানুহ— ডঃ ভুবন মোহন দাস
২। অসমৰ জনজাতি— ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
৩। অসমীয়া লোক সংস্কৃতি— ডঃ নিৰ্মল প্ৰভা বৰদলৈ
৪। অসমৰ লোক সংস্কৃতিৰ আভাষ— ডঃ নবীন চন্দ্ৰ শৰ্মা।

# ঃ বিহঙ্গম দৃষ্টিত জ্যোতি-সংগীত ঃ

শ্ৰীজয়ন্ত কুমাৰ কলিতা
স্নাতক, প্ৰথম বাৰ্ষিক

জ্যোতিপ্ৰসাদে ৰচনা কৰা গীতবিলাকত কেইটামান স্বকীয় গুণ আৰু বৈশিষ্ট্য লক্ষ্য কৰা যায়। এই স্বকীয়তাৰ কাৰণেই গুণমুগ্ধ সংগীত প্ৰেমীসকলে জ্যোতি প্ৰসাদৰ গীত সমূহক "জ্যোতি-সংগীত" নামেৰে নামাকৰণ কৰিছে। ৰবীন্দ্ৰ সংগীতত যিদৰে ভাব, ভাষা, সুৰ আৰু কল্পনাৰ সমন্বয় ঘটিছে জ্যোতিপ্ৰসাদৰ গীতবোৰতো তেনেদৰে ভাব, ভাষা, সুৰ আৰু কল্পনাৰ দ্বাৰা ৰমনীয়াৰ্থ প্ৰতিপাদিত হৈছে। গীতসমূহত সংগীত ধৰ্ম' বাগৰ্থ ইব সংস্পৃক্ত' হৈ শ্ৰীমণ্ডিত হৈছে। ভাব আৰু অনুভূতিৰ বিচিত্ৰতা, ভাষাৰ 'মাধ্বিক মধুৰ মৃদু' গুণ আৰু ব্যঞ্জনা, ভাষানুসাৰী সুৰ আৰু কল্পনাৰ সৌষ্ঠৱ জ্যোতি-প্ৰসাদৰ সৰহভাগ গীততে অনুভৱ কৰা যায়।

১৮২৬ চনৰ পৰা অসমীয়া ভাষা সাহিত্যত আধুনিক যুগ আৰম্ভ হোৱাৰ লগে লগে অসমীয়া গীতি-সাহিত্যৰো আধুনিক যুগ আৰম্ভ হয়। সেই সময়ত প্ৰখ্যাত সংগীতজ্ঞ লক্ষীৰাম বৰুৱাই সত্যনাথ বৰা, বেনুধৰ ৰাজখোৱা, বিষ্ণু প্ৰসাদ দুৱৰা, জগত চন্দ্ৰ বৰদলৈ, ৰাধানাথ ফুকন আদিৰ গীতত সুৰ সংযোগ কৰিছিল। অসমীয়া ৰোমান্তিক যুগৰ বাটকটীয়া আৰু প্ৰতিষ্ঠাতা লক্ষীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞি বৰুৱা আদি জোনাকী যুগৰ সাহিত্যিক সকলেও কিছুসংখ্যক গীত ৰচনা কৰিছিল। এই সকল গীতি সাহিত্যিকৰ গীতত আছিল হিন্দুস্থানী ৰাগ-সংগীত আৰু বঙলুৱা সংগীতৰ প্ৰচুৰ প্ৰভাৱ। ৰবীন্দ্ৰনাথ দ্বিজেন্দ্ৰ লালৰ সুৰেই আছিল তেতিয়াৰ অসমীয়া গীত ৰচকৰ প্ৰেৰণা। পদ্মধৰ চলিহা, অম্বিকাগিৰি ৰায়চৌধুৰী আৰু উমেশ চন্দ্ৰ চৌধুৰী এই তিনি গৰাকী গীতি সাহিত্যিকে উল্লেখিত ধাৰাৰে প্ৰভাবিত হলেও স্বকীয় বৈশিষ্ট্যপুণ গীতিকাৰ আৰু সুৰকাৰ আছিল।

অসমীয়া সংগীতক নৱযুগৰ উপযোগীকৈ পাবলৈ যেন ইতিমধ্যে অসমীয়া সমাজে বাট চাই আছিল। ঠিক সেই সময়তে কোমল বয়সীয়া জ্যোতিপ্ৰসাদে 'শোণিত কুঁৱৰী' নাটৰ গীত সমূহৰ যোগেদি প্ৰকৃতাৰ্থত অসমীয়া নৱযুগীয় সংগীতৰ সৃষ্টি কৰিলে। তেওঁৰ সংগীত প্ৰতিভাৰ বিকাশ প্ৰধানকৈ তেওঁৰ ৰচিত নাটকবোৰৰ মাজেদি হলেও নাটকৰ গীতবোৰৰ বাহিৰেও আন বহুতো গীত জ্যোতি প্ৰসাদে ৰচনা কৰে। তেওঁৰ নাটক কেইখনত প্ৰায় আঠে কুৰি গীত সন্নিবিষ্ট হৈছে। জ্যোতি প্ৰসাদৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা আৰু জ্যোতি সংগীত চৰ্চা কৰা দুই এজন ব্যক্তিৰ মতে জ্যোতিপ্ৰসাদে হেনো ৬০০ নে ৭০০ গীত ৰচনা কৰিছিল। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'জ্যোতি-

প্ৰসাদ ৰচনাৱলীত প্ৰায় তিনিশ গীত সন্নিৱিষ্ট হৈছে। কিছু সংখ্যক গীত আধাড়ুৰখবীয়া আৰু সৰহভাগ গীতেই অপ্ৰকাশিত অৱস্থাত আছে বুলি অনুমান কৰা হয়।

জ্যোতি প্ৰসাদৰ পূৰ্বৰ নাট্যকাৰ সকলেও নাটকত যথেষ্ট পৰিমাণে গীতৰ ব্যৱহাৰ কৰি গৈছে। কিন্তু বেছিভাগ ক্ষেত্ৰতে গীত প্ৰয়োগত নাটকীয় প্ৰয়োজন, ঔচিত্য আৰু তাৰ প্ৰভাৱ সম্পৰ্কে নাট্যকাৰ সকল বৰ সচেতন আছিল বুলি ধাৰণা নহয়। জ্যোতি প্ৰসাদে কিন্তু। এই ক্ষেত্ৰত সচেতন শৈল্পীক ধাৰণা লৈ নাটকত সংগীত সংযোজন কৰিছিল। তেওঁ নিজে সুৰকাৰ, সংগীতজ্ঞ, মঞ্চৰ লগত ঘনিষ্ঠ ভাবে সম্পৰ্ক থকা সুঅভিনেতা, মঞ্চৰ সংগীত পৰিচালক, পাশ্চাত্য ৰঙ্গমঞ্চত সংগীতৰ কি ধৰণে প্ৰয়োগ হয় সেই বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতাসম্পন্ন ব্যক্তি আছিল।

ভাৰতীয় স্বাধীনতা আন্দোলনৰ সৈতে নিবিড়ভাৱে জড়িত হৈ জ্যোতিপ্ৰসাদে কিছুমান প্ৰাণস্পৰ্শী দেশাত্মবোধক গীত ৰচনা কৰিছিল। এই গীতবোৰ বৰ্তমান কাললৈকে সজীৱ আৰু জনপ্ৰিয় হৈ আছে। এই গীতবোৰৰ ভাব আৰু ভাষাত এনে এক মহত্ত্ব ফুটি ওলাইছে যে সাম্প্ৰতিক কাললৈকে আন গীতিকাৰৰ ৰচনাত তেনে গুণ দুৰ্লভ হৈয়ে আছে। তাল-অনুগামী মাত্ৰা-প্ৰধান ছন্দৰ ব্যৱহাৰে কথা আৰু সুৰৰ মিলন সহজসাধ্য আৰু স্বাভাৱিক কৰি তুলিছে। মাতৃভূমিৰ প্ৰতি অঙ্গীকাৰ ভাৰত জ্যোতি প্ৰসাদে কৈছে –' মকুতি মেঘৰ মহান মৌজিত নেজাল ফিৰিঙতি হৈ,' 'পুৰোহিততো যদি থিতাতে আৰ্তিৰ ত্ৰাসতে মূৰ্ছা যায়।' আকৌ 'কোন কোন আহিছা আইক পূজিবলৈ আইৰ পূজাৰ বেলি হ'ল।' বিশ্ববিজয়া–নও জোৱানৰ বাবে কৈছে 'অগ্নিবৃষ্টি' আহিব লাগিছে গৰজে বজ্ৰপাত, শিলাবৃষ্টি ভূমিকম্প হ'ব উল্কাপাত, যু ঊ ধূস্য হুচিয়াৰ।" সেই-দৰে জ্যোতিপ্ৰসাদ দৃষ্টিত 'আজি সুন্দৰী কিহবে আৰতী' আকৌ 'মৌন মুগ্ধ শত শৰদ কমল দল কণ্ঠে কণ্ঠে অৰ্বুদে বৃন্দে-জাগা অমৃত সুৰবাণী পৰমানন্দ জাগা অভিনৱ ছন্দে'—আদিৰ পৰা জ্যোতি সংগীতত এক সমৃদ্ধ আৰু বৈশিষ্ট্যপূৰ্ণ পাঠৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।

ভাৰতীয় উচ্চাঙ্গ সংগীতৰ কিবা প্ৰশিক্ষণ জ্যোতি প্ৰসাদৰ আছিল বুলি গম নাপালেও জ্যোতি-সংগীতত দেখা যয় ধ্ৰুপদী সংগীতৰ এক প্ৰাঞ্জলধাৰা। 'সেউজী সেউজী' গীতত ৰাগ 'দেশ'ৰ. "মোৰ ৰাগ কৰবীৰে" গীতত ৰাগ 'য়মলী বিলাৱল,' মোৰে ভাৰতৰে গীতত 'পিলু' 'জয় আলোকময়' গীতত 'কাফী শিৱৰঞ্জনী' ৰাগৰ ৰূপ দেখা যায়।

ভাৰতীয় ধ্ৰুপদী সংগীত আৰু পাশ্চাত্য সংগীতৰ লগত জ্যোতিপ্ৰসাদৰ সম্পৰ্ক গভীৰ নহব পাৰে, কিন্তু দুয়োটা ধাৰাৰ লগতে তেওঁৰ মোটামুটি পৰিচয় আছিল। য়ুৰোপলৈ গৈ কথাৰ ছবি নিৰ্মাণ আৰু পশ্চিমীয়া সংগীতৰ এক নতুন দিগন্তৰ তেওঁ সন্ধান পাইছিল। প্ৰাৰম্ভ কালতে অসমৰ থলুৱা গীত-মাতৰ সুৰে জ্যোতিপ্ৰসাদৰ অন্তৰত সাঁচ বহুৱায়। আইনাম, বিয়ানাম, নিচুকনি গীত আদি বিভিন্ন গীতৰ সুৰ তথা কীৰ্ত্তনৰ সুৰে তেওঁৰ মন আকৰ্ষিত কৰে। জ্যাতিপ্ৰসাদৰ পিতৃয়ে এদিন অগেণ নজাই 'তুলসীৰ তলে তলে মৃগ পহু চৰে' এই গীতটো গাই আছিল। যন্ত্ৰসহকাৰে শুনা সেই সুৰৰ মাজেৰেই জ্যোতিপ্ৰসাদে কল্পনা কৰি লৈছিল এখনি অসমীয়া নৱযুগীয়া যুগমীয়া সংগীতৰ ধ্বনীয়া ছবি।

জ্যোতি সংগীতৰ সুৰৰ ক্ষেত্ৰত দেখা যায় প্ৰথমে থলুৱা লোকগীতৰ সুৰ, তাৰপিচত হিন্দুস্থানী শাস্ত্ৰীয় সংগীত আৰু পশ্চিমীয়া গীতৰ সুৰ-কৌশল সমূলৰ ওপৰত ভিত্তি কৰিয়েই সৃষ্টি কৰা হৈছিল এক অসমীয়া নৱযুগীয় সংগীত ধাৰা। সংগীত সম্পৰ্কীয় বিভিন্ন সময়ৰ সমন্বয় স্বত্বেও সুৰৰ গতি অনুধাৱন কৰিলে

অৱশেহত দেখা যায়—সি শ্ৰৱণ-মধুৰ অথচ অসমীয়া প্ৰাণৰ তন্ত্ৰী কঁপাই যোৱা আপোন আপোন লগা এক অভিনৱ অসমীয়া নৱযুগীয় সংগীতৰ প্ৰৱাহ। জ্যোতি সংগীতৰ স্বৰ আৰু স্বৰৰ গতি সম্পৰ্কে ফাহিয়াই চালে দেখা যায় যে ঠায়ে ঠায়ে কিছু সংখ্যক স্বৰৰ ব্যৱহাৰে জ্যোতি সংগীতক কৰি তুলিছে স্বৰৰ মৰ্যাদাপূৰ্ণ আৰু আপোন আপোন লগা। তেনে কিছু স্বৰৰ প্ৰকাৰ বা সাঙ্গীতিক অলঙ্কাৰ এনেধৰণৰ—

সা সাৰেগামা গাৰেৰে-সা ... ... ... ।
সা-ৰেগা সাৰেগাৰে সা-ধা — ... ... ... ।
সা গা ৰেগা সাৰে গাৰে সা ... ... ... ... ।
সা গা ... ... ... ৰেগা ... ... সাৰে সা ধা ... ... ।
পানিধাপা মাগাৰেসা গা-ৰেগা সাৰে সা সা ... — ... ।

× × ×

## গ্ৰন্থপঞ্জী


অসম প্ৰকাশন পৰিষদ ঃ অসমীয়া বিশ্বকোষ (১ম খণ্ড)
ঐ ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী
ঐ ঃ প্ৰকাশ (ষষ্ঠ বৰ্ষৰ "চতুৰ্থ সংখ্যা")

# মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

১৯৮৮-৮৯ ইং

## খেল বিভাগ ( লৰাৰ )

### ১০০ মিটাৰ দৌৰ—

১ম - শ্ৰী যজ্ঞ বড়ো ( উঃ মাঃ ১ম )

২য়— " বিপুল দাস ( উঃ মাঃ ২য় )

৩য়— " ভীষ্মদেৱ ৰাভা ( স্নাঃ ৩য় )

### ২০০ মিটাৰ দৌৰ—

১ম—শ্ৰী সৰ্বেশ্বৰ কলিতা ( উঃ মাঃ ১ম )

২য়— " দ্বিজেন দাস ( উঃ মাঃ ১ম )

" লব কুমাৰ ৰাভা ( স্নাঃ ১ম )

৩য় " বিপুল দাস ( উঃ মাঃ ২য় )

### ৮০০ মিটাৰ দৌৰ—

১ম - শ্ৰী সৰ্বেশ্বৰ কলিতা ( উঃ মাঃ ১ম )

২য় - " বিপুল দাস ( উঃ মাঃ ২য় )

৩য় – " ইক্ষাকু নন্দন ৰাভা ( উঃ মাঃ ২য় )

### ১৫০০ মিটাৰ দৌৰ—

১ম শ্ৰী বিপুল দাস ( উঃ মাঃ ২য় )

২য়— " লব কুমাৰ ৰাভা ( স্নাঃ ১ম )

৩য় - " ভীষ্মদেৱ ৰাভা ( " ৩য় )

### চট্‌পুট থ্ৰো—

১ম শ্ৰী কেশৱ বড়ো ( উঃ মাঃ ১ম )

২য় - " প্ৰসন্ন ৰাভা ( " " ২য় )

৩য় - „ যজ্ঞ বড়ো ( " " ১ম )

### জেভলিন থ্ৰো -

১ম—শ্ৰী কেশৱ বড়ো ( উঃ মাঃ ১ম )

২য়— " ধৰণী বড়ো ( " " ২য় )

৩য়— " শিশিৰ কলিতা ( " " ১ম )

### ট্ৰিপুল জাম্প -

১ম—শ্ৰী যজ্ঞ বড়ো ( উঃ মাঃ ১ম )

২য় - " ফণীন্দ্ৰ ৰাভা ( স্নাঃ ২য় )

৩য় -- " সৰ্বেশ্বৰ কলিতা ( উঃ মাঃ ১ম )

### লং জাম্প -

১ম - শ্ৰী প্ৰসন্ন ৰাভা ( উঃ মাঃ ২য় বিঃ )

২য় - " যজ্ঞ বড়ো ( „ „ ১ম )

৩য় " দ্বিজেন দাস ( " „ ১মঃ )

### হাই জাম্প -

১ম - শ্ৰী প্ৰসন্ন ৰাভা ( উঃ মাঃ ২য় বিঃ )

২য় - " ভীষ্মদেৱ ৰাভা ( স্নাঃ ৩য় )

৩য় – " নৃপেন ৰাভা ( উঃ মাঃ ১ম বিঃ )

### পলভল্ট -

১ম শ্ৰী সৰ্বেশ্বৰ কলিতা ( উঃ মাঃ ১ম )

২য়— „ ধীৰাজ ঠাকুৰীয়া ( " " ১ম বিঃ )

৩য়— „ প্ৰসন্ন ৰাভা ( " " ২য় বিঃ )

### ডিছকাছ থ্ৰো—

১ম—শ্ৰী মনোৰঞ্জন ৰাভা ( উঃ মাঃ ২য় )

২য়— " যজ্ঞ বড়ো ( " " ১ম )

৩য়— „ ধৰণী বড়ো ( " " ২য় )

## ৰিলে ৰেচ (১০০×৪)

১ম দল— ১। শ্ৰীভীষ্মদেৱ ৰাভা
২। „ যজ্ঞ বড়ো
৩। „ মনোৰঞ্জন ৰাভা
৪। „ প্ৰসন্ন ৰাভা

## ৰিলেৰেচ (৪০০×৪)

১ম দল— ১। শ্ৰীবিপুল দাস
২। " সৰ্বেশ্বৰ কলিতা
৩। „ নৱ কুমাৰ ৰাভা
৪। „ শৈলেন্দ্ৰ ৰাভা

## ক্ৰিকেট—

বিজয়ী দল— উঃ মাঃ ১ম বাৰ্ষিক

ৰাণাৰ্চ আপ— স্নাতক ২য় আৰু ৩য় বাৰ্ষিক

শ্ৰেষ্ঠ খেলুৱৈ— শ্ৰীযজ্ঞ বড়ো [উঃ মাঃ ১ম]

## ভলীবল—

বিজয়ী দল— ১। শ্ৰীলক্ষণ প্ৰসাদ ৰাভা
২। " কেশৱ বড়ো
৩। " যজ্ঞ বড়ো
৪। " উৎসৱ খাখলাৰী
৫। " সিদ্ধনাথ শৰ্মা
৬। " ধীৰাজ ঠাকুৰীয়া

ৰাণাৰ্চ আপ— ১। মঃ আমজাদ আলী
২। শ্ৰীকমল কলিতা
৩। „ উপেন ৰাভা
৪। „ কৰ্ণ বড়ো
৫। মঃ মকিল আহমেদ
৬। মঃ হাতিম আলী

# খেল বিভাগ (ছোৱালী)

## ৮০ মিটাৰ দৌৰ—

১ম—মিচ মীৰা মহন্ত (স্নাঃ ১ম)
২য়—মিচ চিত্ৰা ৰাভা (উঃ মা. ১ম)
৩য়-মিচ মঞ্জুলা ঠাকুৰীয়া (স্নাঃ ১ম)

## ২০০ মিটাৰ দৌৰ—

১ম মিচ মীৰা মহন্ত (স্নাঃ ১ম)
২য়—মিচ অৰ্পনা দাস (উঃ মাঃ ১ম)
৩য়-মিচ মঞ্জুলা ঠাকুৰীয়া (স্নাঃ ১ম)

## ৪০০ মিটাৰ দৌৰ—

১ম—মিচ অৰ্পনা দাস (উঃ মাঃ ১ম)
মিচ চিত্ৰা ৰাভা (উঃ মাঃ ১ম)
মিচ অঞ্জলি দাস (উঃ মাঃ বিঃ ১ম)

## জেভলিন খো—

১ম—মিচ দৈৱো ৰাভা (স্নাঃ ২য়)
২য়—মিচ মৃণালিনী কলিতা (উঃ মাঃ ১ম)
৩য়—মিচ মঞ্জু দাস (উঃ মাঃ ২য় বিঃ)

## ডিস্কাছ খো—

১ম- মিচ দৈৱো ৰাভা (স্নাঃ ২য়)
২য়—মিচ চিত্ৰা ৰাভা (উঃ মাঃ ১ম)
৩য়—মিচ মীৰা মহন্ত (স্নাঃ ১ম)

## চট্‌পুট খো—

১ম মিচ অৰ্পনা দাস (উঃ মাঃ ১ম)
২য় - মিচ চিত্ৰা ৰাভা (উঃ মাঃ ১ম)
৩য় মিচ দৈৱো ৰাভা (স্নাঃ ২য়)

**লং জাম্প—**

১ম- মিচ অৰ্পনা দাস ( উঃ মাঃ ১ম )
২য়—মিচ চিত্ৰা ৰাভা ( উঃ " ১ম )
৩য়—মিচ অঞ্জলি দাস ( উঃ „ ১ম বিঃ )

**বেলেঞ্চ ৰেচ—**

১ম—মিচ শিখা চৰকাৰ ( ম্লাঃ ১ম )
২য়-মিচ অৰ্পনা দাস ( উঃ মাঃ ১ম )
৩য়--মিচ মঞ্জুলা ঠাকুৰীয়া ( মঃ ১ম )

**মিউজিক চেয়াৰ—**

১ম—মিচ অঞ্জলি দাস ( উঃ মাঃ বিঃ ১ম )
২য়—মিচ কামিনী ৰাভা ( উঃ মা ১ম )
৩য়—মিচ প্ৰতিমা ধৰ ( ম্লাঃ ১ম )

**ব্লাইণ্ড হিট—**

১ম মিচ নীলিমা দাস [ উঃ মা ১ম ]
২য়—মিচ গজমতী সাহা ( ম্লা. ২য়. )
৩য়—মিচ ৰীতা কলিতা „ ২য়

**ৰিলেৰেচ ( ১০০×৪ )**

১ম দল— ১। মিচ অৰ্পনা দাস
২। মিচ চিত্ৰা ৰাভা
৩। অঞ্জলি দাস
৪। মিচ ডালিমী বড়ো

**শ্ৰেষ্ঠা খেলুৱৈ—**

মিচ অৰ্পনা দাস ( উঃ মাঃ ১ম )

**সাহিত্য প্ৰতিযোগিতা -**

চুটিগল্প—

১ম—শ্ৰীকৈলাশ কলিতা ( ম্লাঃ ১ম )
২য়—শ্ৰীশংকৰ মহন্ত ( " ২য় )
৩য়— ফজলুৰ ৰহমান খাঁন ( " ২য় )

কবিতা -

১ম—মঃ পাহমত আলী ( ম্লাঃ ২য় )
২য়—শ্ৰীকৈলাশ কলিতা ( „ ১ম )
৩য়—শ্ৰীলক্ষেশ্বৰ হাজৰিকা ( ম্লাঃ ২য় )
মিচ গজমতী সাহা ( " ২য় )

**তৰ্ক আৰু আলোচনা চক্ৰ**

তৰ্ক প্ৰতিযোগিতা -

১ম শ্ৰীঅতুল চন্দ্ৰ দাস ( ম্লাঃ ২য় )
২য়— „ নলিনী খাখলাৰী ( উঃ মাঃ ২য় )
৩য় – „ হৰিমল দৈমাৰী ( ম্লাঃ ১ম )
মিচ বঞ্জু গোস্বামী ( উঃ মাঃ ২য় )

**কবিতা আবৃত্তি ( অসমীয়া )**

১ম মিচ বঞ্জু গোস্বামী ( উঃ মাঃ ২য় )
২য়-মিচ তৰা বায়ন ( ম্লাঃ ১ম )
৩য় মিচ মঞ্জুগণি দাস ( উঃ মাঃ ২য় বি. )

**কবিত আবৃত্তি ( ইংৰাজী )**

১ম- শ্ৰীলক্ষেশ্বৰ হাজৰিকা ( ম্লাঃ ২য় )
২য়-মিচ তৰা বায়ন ( ম্লাঃ ১ম )
৩য় - মিচ বঞ্জু গোস্বামী ( উঃ মাঃ ২য় )

**আকস্মিক বক্তৃতা**

১ম - শ্ৰীঅতুল চন্দ্ৰ দাস ( ম্লাঃ ২য় )
২য় „ লক্ষেশ্বৰ হাজৰিকা ( „ „ )
৩য় - „ দিগন্ত ৰাভা [ উঃ মাঃ ২য় বিঃ ]

**কুইজ**

১ম দল - মিচ তৰা বায়ন
" মঞ্জুলা ঠাকুৰীয়া
" প্ৰতিমা ধৰ
" কাকলি অধিকাৰী
„ শিখা চৰকাৰ

২য় দল— শ্ৰীকৈলাশ কলিতা
" মুকুল চন্দ্ৰ মেধি
" মুকুট কলিতা
" চন্দ্ৰ কান্ত বৰ
মিচ মিনু বড়ো

## ছাত্ৰ জিৰণি কোঠা

### কেৰম (একক)
চেম্পিয়ন— শ্ৰীলৱ কুমাৰ ৰাভা (স্নাঃ ১ম)
ৰাণাৰ্চ আপ—শ্ৰীবিপুল দাস (উঃ মাঃ ২য়)

### কেৰম (দ্বৈত)
চেম্পিয়ন— শ্ৰীলৱ কুমাৰ ৰাভা (স্নাঃ ১ম)
" অনন্ত চন্দ্ৰ বড়ো ( " ১ম)
ৰাণাৰ্চ আপ— শ্ৰীদিগন্ত কলিতা (উঃ মাঃ ২য় বিঃ)
" নিৰঞ্জন মণ্ডল ( " " ২য়)

### বেডমিণ্টন (একক)—
চেম্পিয়ন শ্ৰীকেশৱ বড়ো (উঃ মাঃ ১ম)
ৰাণাৰ্চ আপ— শ্ৰীসুনীল ঠাকুৰীয়া (স্নাঃ ৩য়)

### বেডমিণ্টন (দ্বৈত)—
চেম্পিয়ন—শ্ৰীদিগন্ত কলিতা (উঃ মাঃ ২য় বি.)
" ভুপেন পাটোৱাৰী [ " " ২য় বি.]
ৰাণাৰ্চ আপ শ্ৰীৰাজকুমাৰ দাস [ " " ২য় বি.]
" বেদান্ত ডেকা [ " " ১ম]

## ছাত্ৰী জিৰণি কোঠা

### কেৰম (একক)
চেম্পিয়ন মিচ প্ৰতিমা ধৰ [স্নাঃ ১ম]
ৰাণাৰ্চ আপ মিচ মৃণালিনী কলিতা [ " ১ম]

### কেৰম (দ্বৈত)
চেম্পিয়ন— মিচ তৰা বায়ন [স্নাঃ ১ম]
মিচ প্ৰতিমা ধৰ [ " " ]
ৰাণাৰ্চ আপ—মিচ মন্দিতা কলিতা [ " " ]
মিচ মৃণালিনী কলিতা [ " " ]

### বিং টেনিচ একক)
চেম্পিয়ন—মিচ পাৰ্বতী নাথ (উঃ মাঃ ১ম)
ৰাণাৰ্চ আপ—মিচ বীণা বড়ো (স্নাঃ ২য়)

### বিং টেনিচ (দ্বৈত)
চেম্পিয়ন মিচ কামিনী ৰাভা (উঃ মাঃ ১ম)
মিচ মিনু বড়ো [ " " " ]
ৰাণাৰ্চ আপ মিচ মুক্তিকা বয় [স্নাঃ ১ম]
মিচ পাৰ্বতী নাথ [উঃ মাঃ ১ম]

### বেডমিণ্টন (একক)
চেম্পিয়ন— মিচ কাকলী অধিকাৰী [স্নাঃ ১ম]
ৰাণাৰ্চ আপ—মিচ মন্দিতা কলিতা [ " " ]

### বেডমিণ্টন (দ্বৈত)
চেম্পিয়ন— মিচ কাকলী অধিকাৰী [স্নাঃ ১ম]
মিচ শিখা চক্ৰৱাৰ [ " " ]
ৰাণাৰ্চ আপ - মিচ মন্দিতা কলিতা [ " " ]
মিচ মৃণালিনী কলিতা [ " " ]

### চিলাই প্ৰতিযোগিতা—
নিচুকণি বঁটা— মিচ নিৰ্ম্মলা বায়ন [স্নাঃ ১ম]

### পুষ্প সজ্জা—
নিচুকণি বঁটা— মিচ বন্ধু গোস্বামী [উঃ মাঃ ২য়]

### বোৱাকটা -
নিচুকণি বঁটা— মিচ মুক্তিকা বয় [স্নাঃ ১ম]

# সাংস্কৃতিক বিভাগ

**বৰগীত—**

১ম— মিচ দীপিকা দেৱী (স্নাঃ ২য়)
২য়— মিচ কাৰ্বলি অধিকাৰী (স্নাঃ ১ম)
মিচ মীৰা ভৰালী (উঃ মাঃ ১ম)
৩য়— মিচ দীপিকা কলিতা (স্নাঃ ২য়)

**লোক গীত**

১ম— শ্ৰীপ্ৰদীপ কলিতা (উঃ মাঃ ১ম)
২য়— শ্ৰীকনক চন্দ্ৰ সাউদ (স্নাঃ ৩য়)
শ্ৰীহৰি নাৰায়ণ ৰয় (" ")
৩য়— মঃ জবেৰ আলী (" ২য়)

**ভজন**

১ম— মিচ দীপিকা কলিতা (স্নাঃ ২য়.)
২য়— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
৩য়— মিচ মীৰা ভৰালী (উঃ „ ১ম)

**খেয়াল**

১ম— মিচ দীপিকা কলিতা (স্নাঃ ২য়)
২য়— মিচ দীপিকা দেৱী (স্নাঃ ২য়)
মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
৩য়— মিচ উৎপলা দাস (" " ১ম)
মিচ নলিনী খাখলাৰী (" " ২য়)

**জিকিৰ**

১ম— মঃজবেৰ আলী (স্নাঃ ১ম)
২য়— মিচ দীপিকা কলিতা („ ২ম)
৩য়— শ্ৰীপংকজবীৰ দাস (উঃ মাঃ [বিঃ] ২য়)
শ্ৰীঅমূল্য ৰাভা (উঃ মাঃ ১ম)
মিচ দীপিকা দেৱী (স্নাঃ ২য়)

**গজল**

১ম— মিচ দীপিকা কলিতা (স্নাঃ ২য়)
২য়— শ্ৰীভীষ্মদেৱ ৰাভা (" ৩য়)
৩য়— পূৰ্ণ বড়ো (স্নাঃ ১ম)

**ভূপেন্দ্ৰ সঙ্গীত**

১ম— মিচ দীপিকা কলিতা (স্নাঃ ২য়)
২য়— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
৩য়— শ্ৰীকৈলাশ কলিতা (স্নাঃ ১ম)

**বিষ্ণুৰাভা সঙ্গীত**

১ম— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
মিচ দীপিকা কলিতা (স্নাঃ ২য়)
২য়— মিচ মীৰা ভৰালী (উঃ মাঃ ১ম)
৩য়— শ্ৰীহৰি নাৰায়ণ ৰয় (স্নাঃ ৩য়)

**জ্যোতি সঙ্গীত**

১ম— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
২য়— মিচ দীপিকা কলিতা (স্নাঃ ২য়)
৩য়— শ্ৰীহৰি নাৰায়ণ ৰয় (" ৩য়)

**আধুনিক গীত**

১ম— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
মিচ দীপিকা কলিতা (স্নাঃ ২য়)
২য়— মিচ দীপিকা কলিতা („ „)
৩য়— মিচ মীৰা ভৰালী (উঃ মাঃ ১ম)

**বিহু গীত**

১ম— শ্ৰীহৰি নাৰায়ণ ৰয় (স্নাঃ ৩য়)
মিচ দীপিকা দেৱী (" ২য়)
২য়— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
৩য়— মিচ দীপিকা কলিতা [স্নাঃ ২য়]

**বনগীত**

১ম— শ্ৰীহৰি নাৰায়ণ ৰয় [স্নাঃ ৩য়]
মিচ দীপিকা কলিতা [" ২য়]
২য়— মিচ পদুমী পাঠক [উঃ মাঃ ২য়]
৩য়— শ্ৰীকৈলাশ কলিতা [স্নাঃ ১ম]

## বিয়া নাম

১ম— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
২য়— মিচ দীপিকা দেৱী (মাঃ ২য়)
৩য় মিচ নীলিমা দাস (উঃ মাঃ ২য়)

## ৰাভা গীত

১ম— মিচ নমিতা ৰাভা [উঃ মাঃ ১ম]
২য়— শ্ৰীপংকজৱীৰ দাস [ „ „ বি.]
মিচ পূৰ্ণ বড়ো [মাঃ ১ম]
৩য়— মিচ পদুমী পাঠক [উঃ মাঃ ২য়]

## বড়ো গীত

১ম— শ্ৰীনলিনী খাখলাৰী [উঃ মাঃ ২য়]
২য়— মিচ পদুমী পাঠক [ „ „ ২য়]
শ্ৰীপূৰ্ণ বড়ো [মাঃ ১ম]
৩য়— শ্ৰীহৰি নাৰায়ণ ৰয় [ „ ৩য়]

## বাতৰি পঢ়া

১ম— মিচ তৰা বায়ন [মাঃ ১ম]
২য়— শ্ৰীপঙ্কজৱীৰ দাস [উঃ মাঃ ২য় বি.]
৩য় - শ্ৰীকৈলাশ কলিতা (মাঃ ১ম)

## আধুনিক নৃত্য

১ম— মিচ উমা কলিতা [মাঃ ২য়]
২য় - মিচ মঞ্জু গোস্বামী [উঃ মা. ২য়]
৩য়— মিচ সাৰতা ৰাভা [" " ১ম]

## বিহু নৃত্য

১ম— মিচ অঞ্জলি দাস [উঃ মাঃ ১ম]
২য়— মিচ অঞ্জুমণি বায়ন (উঃ মাঃ ১ম)
৩য়— মিচ মঞ্জু গোস্বামী (উঃ মাঃ ২য়)

## একক অভিনয়

১ম - শ্ৰীলক্ষেশ্বৰ হাজৰিকা (মাঃ ২য়)
২য় - ম. ৰাহমত আলী (মাঃ ২য়)
শ্ৰীঅৱনী কুমাৰ ডেকা (মাঃ ২য়.)
৩য়— শ্ৰীমনোমোহন কলিতা (মাঃ ২য়)

## কৌতুক

১ম— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
২য়— শ্ৰীঅৱনী কুমাৰ ডেকা (মাঃ ২য়)
শ্ৰীলক্ষেশ্বৰ হাজৰিকা (মাঃ ২য়)
৩য়— শ্ৰীনলিনী খাখলাৰী (উঃ মাঃ ২য়)

## দলীয় বিয়া নাম

১ম— মিচ দীপিকা দেৱী [মাঃ ২য়]
মিচ পূৰ্ণিমা বৈশ্য (মাঃ ২য়)
মিচ জ্যোৎস্না দেৱী (উঃ মাঃ ১ম)
মিচ মীৰা ভৰালী (উঃ মাঃ ১ম)
২য়— মিচ পদুমী পাঠক (উঃ মাঃ ২য়)
মিচ নীলিমা কলিতা (মাঃ ২য়)
মিচ জ্যোৎস্না দেৱী

## বছৰৰ সৰ্বশ্ৰেষ্ঠ সঙ্গীত প্ৰতিযোগী

মিচ পদুমী পাঠক (উঃ মাঃ ২য়)

## ভেশচন প্ৰতিযোগিতা

১ম— মিচ শিখা চৰকাৰ (মাঃ ১ম)
২য়— মিচ নিৰ্মলা বায়ন (মাঃ ২য়)

## একাংকিকা নাট প্ৰতিযোগিতা

শ্ৰেষ্ঠ নাট্য দল— "ডায়েৰীৰ পাতে পাতে"
অভিনেতা— শ্ৰীঅৱনী কুমাৰ ডেকা
" লক্ষেশ্বৰ হাজৰিকা
" গোপী চৌধুৰী
" শঙ্কৰ মহন্ত

দ্বিতীয় শ্ৰেষ্ঠ নাট্য দল— "জীৱন কল্লোল"
অভিনেতা - শ্ৰীমদন ভৰালী
" প্ৰদীপ কলিতা
" পূৰ্ণ ৰাভা
" ফণিধৰ কলিতা
" দুৰ্গেশ্বৰ দাস

শ্ৰেষ্ঠ অভিনেতা—
শ্ৰীঅৱনী কুমাৰ ডেকা

# —আলোচনী সম্পাদকৰ আষাৰ-চেৰেক—

জয় জয়তে মৰম-স্নেহেৰে এই আকিঞ্চনক ১৯৮৮-৮৯ চনৰ " জৱাহৰ-জ্যোতি'ৰ সম্পাদকৰ দায়িত্ব দি সৰ্বাতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা বাবে আটাইলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

বিগত বছৰবোৰৰ দৰে মোৰ কাৰ্য্যকালতো ' জৱাহৰ জ্যোতি'ক সজাই-পৰাই আপোনালোকৰ হাতত তুলি দিয়াৰ মানস কৰিছিলোঁ। যদিও, নানা অ.হুকালৰ বাবে যথা সময়ত দিব নোৱাৰিলো। বহুবাৰ জাননী দিয়া স্বত্বেও সময় মতে আমাৰ হাতত লিখনি সমূহ পৰা নাছিল। তথাপি পলমকৈ হলেও আমাৰ হাতলৈ যিখিনি লেখা আহিল তাৰেই ' জৱাহৰ জ্যোতি ' প্ৰকাশ কৰা হল। আলোচনীখনক বিশেষ মানদণ্ড এটা দিব পাৰে ছত্ৰ-ছাত্ৰীসকলৰ উন্নত-মানৰ লেখাই। এনে দিশত আমি বাৰুকৈয়ে হতাশ হবলগীয়া হৈছো। ভৱিষ্যতলৈ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে এই বিষয়ে চিন্তা কৰিব বুলি আশা কৰিলোঁ।

' জৱাহৰ জ্যোতি'ৰ প্ৰকাশৰ গুৰুত্ব উপলব্ধি কৰি তত্বাৱধায়ক শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্তই যি চেষ্টা কৰিলে তাৰ বাবে কৃতজ্ঞতা সহকাৰে মই তেখেতৰ ওচৰত ঋণী। তদুপৰি বেটুপাতৰ পৰিকল্পনা কৰি আলোচনীখনৰ সৌন্দৰ্য-বৰ্দ্ধন কৰাৰ বাবে শিক্ষা গুৰু শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়া দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন পোহৰলৈ অনাৰ ক্ষেত্ৰত প্ৰাক্তন সম্পাদক শ্ৰীশঙ্কৰ মহন্তই মোক সহায়ৰ হাত আগবঢ়োৱা বাবে আৰু লগতে সকলো দিশতে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা বাবে সম্পাদনা সমিতিৰ মাননীয় সদস্য মণ্ডলীলৈ মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত সকলৰে ওচৰত মোৰ ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি " জৱাহৰ জ্যোতি'ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। * * *

শ্ৰীহৰ্ষ কলিতা
সম্পাদক
' জৱাহৰ-জ্যোতি '

# একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

পাতনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ একতা সভাৰ ১৯৮৮-৮৯ চনৰ বছৰটোৰ বাবে মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা বাবে সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ কাৰ্য-কালৰ প্ৰাৰম্ভতে ১৯৮৯ চনৰ ৪ জানুৱাৰী তাৰিখৰ পৰা 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। এই সমাবোহৰ বটা-বিতৰণী সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে। মুখ্য অতিথিৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীযুত উমেশ চন্দ্ৰ ডেকা আৰু বকো চক্ৰৰ উপপ্ৰতি সমাহৰ্তা শ্ৰীযুত ত্ৰৈলোক্য মোহন শৰ্মা দেৱ উপস্থিত থাকি সাৰুৱা ভাষণেৰে সভাৰ গুৰুত্ব বৃদ্ধি কৰে।

মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন বিশেষ অসুবিধাৰ কাৰণে সময়ত পাতিব পৰা নগল। মোৰ কাৰ্য কালতে অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ 'ৰূপালী-জয়ন্তী' আৰু 'নেহৰু জন্ম শত-বাৰ্ষিকী' উৎসৱ উদ্‌যাপনৰ আন আন কাৰ্য সূচীৰ লগতে নৱাগত সকলকো আদৰণি জনোৱাৰ ব্যৱস্থা কৰা হয়। প্ৰতি বছৰে পালন কৰি অহাৰ দৰে এইবাৰো মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়।

১৯৮৯ চনৰ ১৪ নৱেম্বৰৰ পৰা ১৬ নৱেম্বৰলৈ মহাবিদ্যালয়ৰ 'ৰূপালী জয়ন্তী' আৰু 'নেহৰু শতবাৰ্ষিকী' উৎসৱ উলহ-মালহেৰে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উদ্‌যাপিত হয়। এই উৎসৱ সাফল্যমণ্ডিত কৰি তোলাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অঞ্চলবাসী ৰাইজৰ সহায়-সহযোগ মন কৰিবলগীয়া দিশ সাধাৰণ সম্পাদক হিচাপে এই উৎসৱত অংশ গ্ৰহণ কৰিবলৈ পাই মই নিজকে ধন্য মানিছো।

সাধাৰণ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰী সকলৰ দুই এটা অভাৱ অভিযোগৰ বিষয়ে কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰাটো অপ্ৰাসঙ্গিক নহব বুলি ভাবিছো। অৱশ্যে এই অভাৱবোৰৰ বিষয়ে পূৰ্ব সাধাৰণ সম্পাদক সকলেও উল্লেখ কৰি গৈছে। আমাৰ মহাবিদ্যালয়ত স্নাতক পৰ্যায়ত মাথোন দুটা বিষয়হে 'মেজৰ' পাঠ্যক্ৰম আছে। আৰু দুটামান বিষয়ত 'মেজৰ' পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয়। ছাত্ৰ-ছাত্ৰী সকল উপকৃত হোৱাৰ লগতে মহাবিদ্যালয়ৰ স্নাতক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাব। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে প্ৰশ্ৰাৱগাৰ, শৌচাগাৰ, শ্ৰেণী কোঠাত বিজুলি পাংখা, চাইকেল ষ্টেণ্ড, মহাবিদ্যালয়ৰ সভা সমিতি পাতিবলৈ স্থায়ী প্ৰেক্ষাগৃহ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে আহল-বহল জিৰণি কোঠাৰ অভাৱখিনি পূৰণ কৰিবলৈ কৰ্তৃপক্ষক মোৰ ফালৰ পৰাও অনুৰোধ কৰিলো।

শেষত সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে মহাবিদ্যালয়ৰ একতা সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ আৰু উপ-সভাপতি শ্ৰীযুত শৰত চন্দ্ৰ তালুকদাৰ দেৱলৈ মোৰ কৃতজ্ঞতা জনালো। লগতে একতা সভাৰ সদস্য বৰ্গ, আন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞ থাকিল।

শ্ৰীহেমন্ত কুমাৰ দাস
সাধাৰণ সম্পাদক,
**জৱাহৰলাল নেহৰু মহাবিদ্যালয়,**
**বকো।**

# —সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোক ১৯৮৮-৮৯-চনৰ কাৰণে বিনা প্ৰতিদ্বন্দিতাৰে সাংস্কৃতিক বিভাগৰ সম্পাদক নিৰ্বাচিত কৰা বাবে ধন্যবাদ জনালোঁ।


সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই 'মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এইবেলি সাংস্কৃতিক বিভাগৰ গতানুগতিক প্ৰতিযোগিতাসমূহৰ উপৰিও কেইটামান নতুন বিষয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এনে কৰাত সাংস্কৃতিক প্ৰতিযোগিতাটো বৈচিত্ৰপূৰ্ণ হৈছিল যদিও স্থায়ী মঞ্চ নথকাত প্ৰতিযোগিতাসমূহ চলাই নিয়াত ভালেখিনি আহুকাল পাবলগীয়া হৈছিল। স্থায়ী মঞ্চ এটিৰ ব্যৱস্থা কৰিলে ভাল হব। ইয়াৰ উপৰিও সংগীতৰ বাদ্য-যন্ত্ৰবোৰ ভালে ৰাখিবলৈ হলে এটা ডাঙৰ আলমাৰী বা বাকচৰ অতি প্ৰয়োজন। গতিকে পৰৱৰ্তী কালত কৰ্তৃপক্ষৰ পৰা উক্ত বস্তুখিনি আশা কৰিলো।

মোৰ কাৰ্য্য-কাল ছোৱাত সকলো সময়তে দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা বাবে সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক শিক্ষাগুৰু অধ্যাপক দ্বিজেন দাস দেৱৰ লগতে শিক্ষাগুৰু অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া দেৱক মোৰ কৃতজ্ঞতা জনালো। লগতে যি সকল বন্ধু বান্ধৱীয়ে মোৰ কাৰ্যকালৰ ভিতৰত সহায়ৰ হাত আগবঢ়ালে তেওঁলোকক মোৰ কৃতজ্ঞতা জনালোঁ।

এই এবছৰীয়া কাৰ্য-কালত মই কিমানখিনি কৃতকাৰ্য হলো সেয়া আপোনালোকৰ বিচাৰ্য। সৰ্বশেষত মই মোৰ ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয় আৰু সাংস্কৃতিক বিভাগৰ সৰ্বাংগীন উন্নতি কামনা কৰিলো।

+ + +

**শ্ৰীজ্যোতিষ দাস,**
সম্পাদক, সাংস্কৃতিক বিভাগ



**শ্ৰীঅবনী ডেকা**

শ্ৰেষ্ঠ অভিনেতা


১৯৮৮-৮৯



**শ্ৰীঅৰ্পনা দাস**

শ্ৰেষ্ঠা খেলুৱৈ

১৯৮৮-৮৯



**শ্ৰীযজ্ঞৰাম বড়ো**

শ্ৰেষ্ঠ খেলুৱৈ

১৯৮৮-৮৯



**শ্ৰীপদুমী পাঠক**

শ্ৰেষ্ঠ গায়িকা

১৯৮৮-৮৯